টোৰ উক্তি
শ্ৰমিকৰ ওচৰত মই ঋণী হৈ
নমত শ্ৰমিকে উৎপাদন কৰা
াটলৈ গৈছিল আৰু সেই
ই চাহ বিক্ৰী কৰি আজিৰ এই
াত উপনীত হ'লো।
প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী

RNI Regn. No- ASSASS/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❒ যোৰহাট সংস্কৰণ ❒ মুঠ পৃষ্ঠা ১২

পতাকা জোকাৰি কোকৰাঝাৰৰ বাবে নতুন ৰেলৰ
প্ৰধানমন্ত্ৰী মোডীৰ, উপস্থিত ৰাজ্যপালসহ হিমন্ত-



ফোন নং ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ১১৯ শনিবাৰ ২৯ ফাগুন ১৯৪৭ শক ১৪ মাৰ্চ ২০২৬ চন ASOMIYA KHABAR JORHAT SATURDAY 14 MARCH 2026 দাম ঃ ৭.০০ টকা

## সময় হৈছে জীৱনৰ আটাইতকৈ মূল্যৱান উপহাৰ ঃ অভিনেতা ৰবি শৰ্মা

# কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত 'হাছান শ্বৰীফ আহমদ সমন্বয় বঁটা' প্ৰদান

ষ্টাফ্ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ মাৰ্চ ঃ 'এজন ব্যক্তিয়ে আন এজন ব্যক্তিক দিব পৰা মূল্যৱান উপহাৰটোৱেই হৈছে সময়। কিয়নো ধন-টকা-পইচা কোনোবাই ব্যয় কৰিলেও সেয়া ওভোতাই দিব পাৰে, কিন্তু সময় কেতিয়াও ওভোতাই দিব নোৱাৰে।' ডিএইচ এছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰগতিশীল সাংস্কৃতিক সৈনিক, সমন্বয়ৰ প্ৰতীক, সম্প্ৰীতিৰ সুধাকৰ, নটসূৰ্য বঁটাপ্ৰাপক, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু সাধাৰণ সম্পাদক, শিল্পী পেঞ্চনাৰ হাছান শ্বৰীফ আহমদৰ নামত প্ৰদান কৰা 'হাছান শ্বৰীফ আহমদ সমন্বয় বঁটা-২০২৫' গ্ৰহণ কৰি অসমৰ বোলছবি জগতৰ জনপ্ৰিয় অভিনেতা, শিল্পী ৰবি শৰ্মাই এইদৰে কয়। অভিনেতা শৰ্মাই কয়—মহাবিদ্যালয়খনত প্ৰথম উপস্থিত হৈ ইয়াৰ নৈসৰ্গিক পৰিৱেশ দেখি মই অভিভূত হৈ পৰিছোঁ। মহাবিদ্যালয়খন ইমান সুন্দৰ আৰু শৃংখলাবদ্ধভাৱে পৰিচালনা কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ধন্যবাদ জনায়। মুখ্যদ্বাৰৰপৰা গায়ন-বায়ন, বিহু, মিচিং বিহু, এন চি চিসকলে সভাগৃহলৈ আদৰণি জনাই অনা সভাখনত অভিনেতা শৰ্মাই কয়— প্ৰত্যেকটো জীৱ খাব পৰাজন জীৱ শ্ৰেষ্ঠ নহয়, প্ৰত্যেকটো জীৱক ৰক্ষণাবেক্ষণ দিব পৰাজনহে জীৱ শ্ৰেষ্ঠ। সংহিতা মাধৱী দত্তই আঁতধৰা 'ফাগুনৰ আবেলি' শীৰ্ষক অনুষ্ঠানত শৰ্মাই কয়— মঞ্চ আৰু বোলছবি দুয়োটাতে সমানে অভিনয় কৰিব পাৰিলেই প্ৰকৃত অভিনেতা হ'ব পাৰে বুলি উল্লেখ কৰি কয়— ভ্ৰাম্যমাণৰ জগতখনে তেওঁৰ জীৱনত এক নতুন অভিজ্ঞতা দিলে। তেওঁ কয়—এজন ভাল অভিনেতা হ'বলৈ হ'লে মঞ্চত পৃথিৱীৰ শ্ৰেষ্ঠ অভিনেতাজন ময়েই বুলি ভাৱিলেই সকলো অভিনয়েই সহজ হৈ পৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অপ্ৰয়োজনীয় সময়ত সামাজিক মাধ্যমৰপৰা আঁতৰি থাকিবলৈ আহ্বান জনাই কয়— সামজিক মাধ্যমৰ অত্যাধিক ব্যৱহাৰে নিজৰ বহুমূলীয়া সময় অপচয় কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত পৰিৱেশ্য কলা পৰিষদৰ আকাংক্ষাৰ তৰফৰাপৰা মেধাৱী ছাত্ৰ তথা প্ৰতিভাধৰ প্ৰয়াত উদয়াদিত্য কোঁৱৰৰ স্মৃতিত 'উদয়াদিত্য কোঁৱৰ সোঁৱৰণী বঁটা' কণ্ঠশিল্পী নীলাক্ষি নেওগক প্ৰদান কৰা হয়। হাছান ইকবাল আহমদ আৰু নীলাভ নয়ন বৰদলৈয়ে সঞ্চালনা কৰা 'ফাগুনৰ আবেলি' শীৰ্ষক অন্তৰংগ আলাপত অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলে সোধা বিভিন্ন প্ৰশ্নৰ সদুত্তৰ দিয়ে জনপ্ৰিয় অভিনেতা ৰবি শৰ্মা আৰু নীলাক্ষি নেওগে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ দাতা সদস্য তথা সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈ, প্ৰয়াত উদয়াদিত্য ভৰালীৰ মাতৃ চুমী কোঁৱৰ, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য-সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, প্ৰাক্তন অধ্যাপিকা ড° চুলতানা হাজৰিকা, ডিব্ৰুগড় জিলাৰ সাংস্কৃতিক বিষয়া সুদৰ্শন বৰা, অভিনেতা সঞ্জয় খাৰঘৰীয়া, হিৰণ্য সেনাপতিৰ উপৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ সভাপতি আত্ৰেয় চেতিয়া, সাধাৰণ সম্পাদক বেদব্যাস বড়িৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। উল্লেখ্য যে প্ৰদান কৰা হাছান শ্বৰীফ আহমদ সমন্বয় বঁটাতথকা চেলেংচাদৰ, শৰাই, স্মাৰক, কিতাপৰ টোপোলা, সম্বৰ্ধনা-পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত অভিনেতা ৰবি শৰ্মা আৰু কণ্ঠশিল্পী নীলাক্ষি নেওগক মিচিং মহিলা ফেচবুক গোট 'পঃপৃৰ' প্ৰশাসক মণ্ডলীয়ে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। কণ্ঠশিল্পী নীলাক্ষি নেওগে প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ 'মায়াবিনী' গীত পৰিৱেশনৰে সামৰা অনুষ্ঠানত শলাগ জ্ঞাপন কৰে হাছান ইকবাল আহমদে।